বিত্তীয় সাক্ষৰতা সপ্তাহ

জুন ৪-৮, ২০১৮

# বিপদ আৰু লাভ



**আপুনি এৰাতিৰ ভিতৰতে ধনী হ'ব পাৰে বুলি ভাবেনে?**

**আপুনি অতি কম সময়ৰ ভিতৰতে অধিক লাভ উপাৰ্জন কৰিব পাৰে বুলি ভাবেনে?**

ভাবি চাব, কাৰণ অধিক আকাঙ্খিত ফলৰ বাবে অতি বেছি বিপদ জড়িত হৈ থাকে।

### প্ৰাথমিক নিয়ম-নীতি

ধন বিনিয়োগ কৰাৰ সময়ত মনত ৰাখিবলগীয়া প্ৰাথমিক নীতি হ'ল লাভ-লোকচানৰ অনিশ্চয়তা। উচ্চ আকাঙ্খিত ফলৰ লগত বেছি বিপদগ্ৰস্ততা জড়িত থাকে আৰু লোকচানৰ সম্ভাৱনীয়তা থাকে।

### দৰকাৰী মনোযোগ

কোনো অনিয়ন্ত্ৰিত সংস্থাৰ দ্বাৰা কম সময়ৰ ভিতৰতে উচ্চ ফল বা নিৰ্দ্দিষ্ট ফল দিব খোজা আঁচনিবোৰৰ প্ৰতি দৰকাৰী মনোযোগ দিয়া উচিত। এই আঁচনিবোৰ প্ৰবঞ্চনামূলক হ'ব পাৰে আৰু আপোনাৰ কষ্টোপাৰ্জ্জিত ধন সংগ্ৰহৰ পিছত সংগ্ৰহকাৰী অৰ্ন্তধান হ'ব পাৰে।

### চাচ্চেট পোৰ্টেল

কোনো আঁচনিৰ অধীনত জমা লোৱা ধন ঘূৰাই নিদিয়া সংস্থাৰ বিপক্ষে কোনো খবৰ বা আপত্তি থাকিলে www.sachet.rbi.org.in ত জনাওঁক।

### বেংকৰ জমা নিৰাপদনে?

বেংকৰ জমাধন নিৰাপদ, কাৰণ বেংকবোৰ ৰিজাৰ্ভ বেংকৰ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণত থাকে আৰু বেংক ব্যৱস্থাৰ আপত্তি নিষ্পত্তিৰ বাবে বেংকিং লোকপাল আঁচনি আছে।

### জমাধনৰ নিশ্চয়তা

প্ৰতি বেংকৰ প্ৰতিজন গ্ৰাহকৰ বাবে জমা ধনৰ এক লাখ টকালৈ Deposit Insurance and Credit Gurantee Corporation ৰ দ্বাৰা নিশ্চয়তা দিয়া আছে।

Design: Anupam Sharma02/18

বিত্তীয় সাক্ষৰতা ● প্ৰগতিৰ পথ

**বিপদ আৰু লাভ**

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ
ভাৰতীয় ৰিজাৰ্ভ বেংক
www.rbi.org.in